**ভাৰতৰ উচ্চতম ন্যায়ালয়**

**দেৱানী মূল ক্ষেত্ৰাধিকাৰ**

**বিবিধ আবেদন নং ২১-২০২২**

**বিবিধ আবেদন নং ৬৬৫-২০২১**

**নিজাববীয়াকৈ দাখিল কৰা আবেদন(দেৱানী)নং ৩-২০২০**

**প্ৰসংগ: সীমাবদ্ধতাৰ ম্যাদ বৃদ্ধিৰ বাবে লোৱা পদক্ষেপ**

**লগতে**

**বিবিধ আবেদন নং ২৯-২০২২**

**বিবিধ আবেদন নং ৬৬৫-২০২১**

**নিজাববীয়াকৈ দাখিল কৰা আবেদন(দেৱানী)নং ৩-২০২০**

<u>আদেশ</u>

১.২০২০ চনৰ মাৰ্চ মাহত এই আদালতে কোভিড- ১৯ মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ বাবে সাধাৰণ আইনৰ সীমাবদ্ধতা বা যিকোনো বিশেষ আইনৰ(কেন্দ্ৰীয় বা ৰাজ্যিক উভয়ে)অধীনত নিৰ্ধাৰিত সীমাবদ্ধতাৰ সময়সীমাৰ ভিতৰত আবেদন / দৰ্খাস্ত / মোকৰ্দমা / আপীল / অন্য সকলো অৰ্ধ ন্যায়িক প্ৰক্ৰিয়াত মোকৰ্দমাকাৰীসকলে সন্মুখীন হ'ব পৰা অসুবিধাৰ বিষয়ে নিজাববীয়াকৈ পদক্ষেপ লয়।

২. ২৩.০৩.২০২০তাৰিখে, এই ন্যায়ালয়ে ১৫.০৩.২০২০ তাৰিখৰ পৰা পৰৱৰ্তী আদেশ প্ৰদান নকৰা লৈকে এই আদালতকে ধৰি আদালত/ন্যায়াধিকৰণৰ আগত উত্থাপিত সকলো আইনী প্ৰক্ৰিয়াৰ সীমাবদ্ধতাৰ ম্যাদ বৃদ্ধি কৰিবলৈ নিৰ্দেশ দিছিল। ০৮.০৩.২০২১ তাৰিখে, ২৩.০৩.২০২০ তাৰিখৰ আদেশটো বাতিল কৰা হৈছিল, যাৰ ফলত ১৫.০৩.২০২০ আৰু ১৪.০৩.২০২১-ৰ সময়ছোৱাত সীমাবদ্ধতাৰ ম্যাদ শিথিল কৰা হৈছিল। এনে কৰোতে, এইটো স্পষ্ট কৰা হৈছিল যে সীমাবদ্ধতাৰ ম্যাদ ১৫.০৩.২০২১ তাৰিখৰ পৰা আৰম্ভ হ'ব।

৩. তাৰ পিছত, কোভিড-১৯ৰ ঘটনাসমূহৰ প্ৰকোপ দ্বিতীয়বাৰ পুনৰ বৃদ্ধি হোৱাৰ বাবে, উচ্চতম ন্যায়ালয়ৰ পঞ্জীয়নভুক্ত অধিবক্তা সংস্হাই (এছচিএঅআৰএ)বিবিধ আবেদন নং ৬৬৫-২০২১ দাখিল কৰি আদালতে নিজাববীয়াকৈ লোৱা পদক্ষেপত হস্তক্ষেপ কৰিছিল আৰু ২৩.০৩.২০২০ তাৰিখৰ সীমাবদ্ধতাৰ ম্যাদ শিথিলৰ আদেশটো বাহাল ৰখাটো বিচাৰিছিল।ওপৰোক্ত বিবিধ আবেদন নং ৬৬৫-২০২১খন ২৩.০৯.২০২১ তাৰিখৰ আদেশৰ দ্বাৰা এই আদালতে নিষ্পত্তি কৰিছিল, য'ত এই আদালতে এই আদালতকে ধৰি অন্যান্য আদালত/ন্যায়াধিকৰণৰ সন্মুখত উত্থাপিত সকলো আইনী প্ৰক্ৰিয়াৰ সীমাবদ্ধতাৰ ম্যাদ ১৫.০৩.২০২১ ৰ পৰা ০২.১০.২০২১ লৈকে বৃদ্ধি কৰিছিল।

৪. কোভিড-১৯ৰ নতুন প্ৰকাৰটোৰ সংক্ৰমণ আৰু সমগ্ৰ দেশত কোভিড-১৯ৰ ঘটনাৰ সংখ্যা ব্যাপক হাৰত বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত উচ্চতম ন্যায়ালয়ৰ পঞ্জীয়নভুক্ত অধিবক্তা সংস্হাৰ দ্বাৰা বৰ্তমানৰ বিবিধ আবেদনখন দাখিল কৰা হৈছে। সাম্প্ৰতিক সময়ৰ প্ৰতি লক্ষ্য ৰাখি, আবেদনকাৰীয়ে তলত দিয়াখিনিৰ বাবে আবেদন কৰিছিল:

i.নিজাববীয়াকৈ দাখিল কৰা আৱেদন (দেৱানী) নং ৩-২০২০ ত এই মহামান্য আদালতৰ দ্বাৰা প্ৰদান কৰা ২৩.০৩.২০২০ তাৰিখৰ আদেশ পুনৰ বাহাল ৰাখি বৰ্তমানৰ আবেদনখন গ্ৰহণ কৰক; আৰু

ii.নিজাববীয়াকৈ দাখিল কৰা আবেদন (দেৱানী) নং ৩-২০২০ত আৰু বিবিধ গোচৰ নং ৬৬৫-২০২১ সন্দৰ্ভত এই মহামান্য আদালতৰ দ্বাৰা প্ৰদান কৰা ২৭.০৪.২০২১ তাৰিখৰ আদেশ বাহাল ৰাখি বৰ্তমানৰ আবেদনখন গ্ৰহণ কৰিব লাগে।

iii. এনে আন আদেশ প্ৰদান কৰক যিটো এই মহামান্য আদালতে উপযুক্ত আৰু সঠিক বুলি বিবেচনা কৰে।

৫.বিজ্ঞ পৰামৰ্শদাতাৰ দ্বাৰা আগবঢ়োৱা যুক্তি আৰু ভাইৰাছৰ সংক্ৰমণ বৃদ্ধিয়ে মানুহৰ স্বাস্থ্যৰ ওপৰত পেলোৱা প্ৰভাৱ আৰু সাম্প্ৰতিক পৰিস্থিতিত মোকৰ্দমাকাৰীসকলে সন্মুখীন হোৱা প্ৰতিকূলতাৰ সন্দৰ্ভত বিবেচনা কৰি, আমি বিবিধ গোচৰ নং ২১-২০২২ খন নিম্নলিখিত নিৰ্দেশনাবোৰৰ সৈতে নিষ্পত্তি কৰাটো উচিত বুলি বিবেচনা কৰোঃ

১.২৩.০৩.২০২০ তাৰিখৰ আদেশটো পুনৰ বাহাল ৰখা হৈছে। ০৮.০৩.২০২১,২৭.০৪.২০২১আৰু ২৩.০৯.২০২১ তাৰিখৰ পৰৱৰ্তী আদেশসমূহ অব্যাহত ৰাখি,এইটো নিৰ্দেশ প্ৰদান কৰা হৈছে যে ১৫.০৩.২০২০ তাৰিখৰ পৰা ২৮.০২.২০২২ৰ মাজৰ সময়খিনি সীমাবদ্ধতাৰ উদ্দেশ্যৰ বাবে বাদ দিয়া হ'ব যিটো সকলো ন্যায়িক বা অৰ্ধ-ন্যায়িক প্ৰক্ৰিয়াৰ সন্দৰ্ভত যিকোনো সাধাৰণ বা বিশেষ আইনৰ অধীনত নিৰ্ধাৰণ কৰা হ'ব পাৰে।

২.ফলস্বৰূপে, ০৩.১০.২০২১ তাৰিখলৈ বাকী থকা সীমাবদ্ধতাৰ ম্যাদ, যদি কিবা আছে, তেন্তে ০১.০৩.২০২২ তাৰিখৰ পৰা উপলব্ধ হ'ব।

৩.যিবোৰ ক্ষেত্ৰত ১৫.০৩.২০২০ৰ পৰা ২৮.০২.২০২২ৰ ভিতৰত সীমাবদ্ধতাৰ ম্যাদ উকলি গ'লহেতেন, তেনে ক্ষেত্ৰত বাকী থকা প্ৰকৃত সীমাবদ্ধতাৰ ম্যাদ যিয়েই নহওক, সকলো ব্যক্তিয়েই ০১.০৩.২০২২ৰ পৰা ৯০ দিনৰ এটা সময়সীমা লাভ কৰিব। যদি

০১.০৩.২০২২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা প্ৰকৃত বাকী থকা সময়সীমা ৯০ দিনতকৈ অধিক হয়, তেন্তে সেই দীঘলীয়া ম্যাদ প্ৰযোজ্য হ'ব।

৪.এইটো লগতে স্পষ্ট কৰা হৈছে যে ১৫.০৩.২০২০ তাৰিখৰ পৰা ২৮.০২.২০২২ লৈকে সময়খিনি ১৯৯৬ চনৰ মধ্যস্থতা আৰু আপোচ অধিনিয়মৰ ধাৰা ২৩ (৪) আৰু ২৯ক, ২০১৫ চনৰ বাণিজ্যিক আদালত আইনৰ ধাৰা ১২ক আৰু ১৮৮১ চনৰ বিনিময়যোগ্য দলিল আইনৰ ১৩৮ নং ধাৰাৰ অনুবিধি (খ) আৰু (গ), আৰু আন যিকোনো আইনৰ অধীনত নিৰ্ধাৰিত কৰা সময়সীমাৰ গণনাৰ পৰা বাদ পৰিব, যি গোচৰ দাখিল কৰা, চূড়ান্ত সময়সীমা (যি সময়সীমাৰ ভিতৰত আদালত বা ন্যায়াধিকৰণে বিলম্ব হোৱাটো মাৰ্জনা কৰে )আৰু গোচৰৰ নিষ্পত্তিৰ ক্ষেত্ৰত সীমাবদ্ধতাৰ ম্যাদ নিৰ্ধাৰণ কৰে।

৬.বিজ্ঞ জ্যেষ্ঠ পৰামৰ্শদাতাই জনোৱা প্ৰাৰ্থনা অনুসৰি, ২০২২ চনৰ বিবিধ গোচৰ নং ২৯ খাৰিজ কৰা হ'ল, লগতে উঠাই লোৱা হ'ল।

...................মুখ্য ন্যায়াধীশ

(এন.ভি.ৰামানা)

.....................ন্যায়াধীশ

(এল.নাগেস্বৰ ৰাও)

.......................ন্যায়াধীশ

(সূৰ্য কান্ত)

নতুন দিল্লী

জানুৱাৰী ১০,২০২২

অনুবাদকঃ জাহ্নৱী গগৈ

(কনিষ্ঠ অনুবাদক)

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”